অসম চৰকাৰ

# জি এছ টি

## নতুন কৰ দাতাৰ পঞ্জীয়ন

### সৰল আৰু কাকতহীন প্ৰক্ৰিয়া

**জি এছ টিত পঞ্জীয়নৰ বাবে কোন দায়বদ্ধ?**

- এনে সৰবৰাহকাৰী যাৰ বাৰ্ষিক বিক্ৰী দহ লাখ টকাতকৈ বেছি
- এনে ব্যক্তি যি আন্তঃৰাজ্যিক সৰবৰাহ কৰাত জড়িত
- এনে ব্যক্তি যি মাজে মাজে কৰ যোগ্য সেৱা আৰু সামগ্ৰী সৰবৰাহ কৰে
- কৰযুক্ত সেৱা আৰু সামগ্ৰী সৰবৰাহ কৰা প্ৰবাসী লোক
- এনে ব্যক্তি যি ৰিভাৰ্চ চাৰ্জ কৰ দিবলগীয়া হয়
- টেক্স ডিডাক্টৰ (ডি ডি অ') সকল
- ইনপুট চাৰ্ভিচ ডিচট্ৰিবিউটৰ
- ই-কমাৰ্চ অপাৰেটৰ
- এজেন্ট বা এজেন্টৰ দৰে কৰদাতাৰ হৈ সেৱা আৰু সামগ্ৰী সৰবৰাহ কৰোঁতা
- এনে ব্যক্তি যি অ'নলাইন তথ্য আদি ভাৰতৰ বাহিৰৰ পৰা সৰবৰাহ কৰে
- চৰকাৰী জাননীৰ যোগেদি নিৰ্ধাৰণ কৰা ব্যক্তি বা ব্যক্তিৰ শ্ৰেণী

**পঞ্জীয়নৰ বাবে পূৰাবলগীয়া প্ৰপত্ৰসমূহ**

- নতুন কৰদাতাৰ বাবে - জি এছ টি আৰ ই জি - ০১
- প্ৰবাসী ব্যক্তিৰ বাবে - জি এছ টি আৰ ই জি - ০৯
- কৰ কৰ্তনকাৰী / কৰ সংগ্ৰহকাৰীৰ বাবে - জি এছ টি আৰ ই জি - ০৭
- অনলাইন তথ্য সৰবৰাহকাৰীৰ বাবে - জি এছ টি আৰ ই জি - ১০

## কম্পজিচন কৰ

### ক্ষুদ্ৰ কৰ দাতাসকলৰ বাবে বিশেষ ৰেহাই

**বছৰি ৫০ লাখতকৈ কম সামগ্ৰীৰ সৰবৰাহ কৰা কৰ দাতাই নামমাত্ৰ হাৰত কম্পজিচন কৰ দিয়াৰ বাবে ইচ্ছা প্ৰকাশ কৰিব পাৰে।**

**কম্পজিচন কৰৰ নিৰিখ -**

- ব্যৱসায়ীৰ বাবে ১% (০.৫% ৰাজ্যিক কৰ আৰু ০.৫% কেন্দ্ৰীয় কৰ)
- উৎপাদনকাৰীৰ বাবে ২% (১% ৰাজ্যিক কৰ আৰু ১% কেন্দ্ৰীয় কৰ)
- ৰেষ্টোঁৰাৰ বাবে ৫% (২.৫% ৰাজ্যিক কৰ আৰু ২.৫% কেন্দ্ৰীয় কৰ)

**কম্পজিচন কৰৰ বাবে কোনসকল যোগ্য**

- জি এছ টিত পঞ্জীয়ন থাকিব লাগিব
- কেৱল কৰযুক্ত সামগ্ৰীৰ সৰবৰাহকাৰী হ'ব লাগিব

**কম্পজিচন কৰৰ বাবে কোনসকল যোগ্য নহয়**

- সেৱাৰ সৰবৰাহকাৰী (ৰেষ্টোঁৰাৰ বাবে ৰেহাই)
- আন্তঃৰাজ্যিক সৰবৰাহকাৰী
- ই-কমাৰ্চৰ মাধ্যমত সামগ্ৰী সৰবৰাহকাৰী
- চৰকাৰী জাননীৰ যোগেদি নিৰ্ধাৰণ কৰা সামগ্ৰীৰ উৎপাদনকাৰী

**কম্পজিচন কৰৰ বাবে অনলাইনযোগে পূৰাবলগীয়া প্ৰপত্ৰ**

- ভেট আদিৰ পৰা জি এছ টিলৈ যোৱা কৰ দাতাৰ বাবে - জি এছ টি চি এম পি ০১
- নতুনকৈ জি এছ টিত পঞ্জীয়ন লোৱা কৰ দাতাৰ বাবে - জি এছ টি চি এম পি ০২



ড° হিমন্ত বিশ্ব শৰ্মা
*মাননীয় বিত্তমন্ত্ৰী, অসম*

**পঞ্জীয়ন প্ৰক্ৰিয়া ইতিমধ্যে ২৫ জুন, ২০১৭ৰ পৰা আৰম্ভ হৈছে**

- নতুন কৰদাতাৰ বাবে
- প্ৰবাসীসকলৰ বাবে
- টেক্স প্ৰেক্টিচনাৰৰ বাবে
- কম্প'জিচন কৰৰ বাবে

**পঞ্জীয়ন প্ৰক্ৰিয়া ২৫ জুলাই, ২০১৭ৰ পৰা আৰম্ভ হ'ব**

- টেক্স ডিডাক্টৰ (ডি ডি অ')ৰ বাবে
- ই-কমাৰ্চ অপাৰেটৰৰ বাবে

## টেক্স ডিডাক্টৰ (ডি ডি অ')

### কৰ কৰ্তন কৰাৰ সহজ নিয়ম

**উৎসত কৰ কৰ্তনকাৰী ডি ডি অ'ৰ দায়বদ্ধতা**

- কোনো এটা বন্দবস্তিৰ অধীনত যোগান ধৰা সামগ্ৰী বা সেৱা বা দুয়োটাৰ মুঠ মূল্য ২.৫ লাখ টকাতকৈ অধিক হ'লে কৰ কৰ্তনকাৰী ডি ডি অ'জনে নিৰ্ধাৰিত কৰ কাটি ৰাখি চৰকাৰক জমা দিব লাগিব।

**উৎসত কৰ্তন কৰিবলগীয়া কৰৰ নিৰিখ**

- সৰবৰাহকাৰীজনৰ অসমত পঞ্জীয়ন থাকিলে - ১% ৰাজ্যিক কৰ আৰু ১% কেন্দ্ৰীয় কৰ কাটি ৰাখিব লাগিব
- সৰবৰাহকাৰীজনৰ অসমৰ বাহিৰত পঞ্জীয়ন থাকিলে - ২% সংহত কৰ কাটি ৰাখিব লাগিব

**কৰ কৰ্তনকাৰী বিষয়াৰ কৰণীয়**

- **পঞ্জীয়নকৰণ ঃ** জি এছ টি প'ৰ্টেলত (www.gst.gov.in) উপলব্ধ জি এছ টি আৰ ই জি ০৭ আবেদন প্ৰপত্ৰখন পূৰাই প'ৰ্টেলত অনলাইনযোগে দাখিল কৰিব লাগিব
- **ৰিটাৰ্ণ দাখিল ঃ** কৰ কৰ্তনকাৰী ডি ডি অ'সকলে প'ৰ্টেলত উপলব্ধ জি এছ টিৰ ০৭ ৰিটাৰ্ণ পিছৰ মাহৰ ১০ দিনৰ ভিতৰত অনলাইনযোগে দাখিল কৰিব লাগিব। অন্যথা জৰিমনা ভৰিব লাগিব
- **কৰ পৰিশোধ ঃ** কাটি ৰখা কৰখিনি পিছৰ মাহৰ ১০ দিনৰ ভিতৰত অনলাইন ব্যৱস্থাৰে চৰকাৰক জমা দিব লাগিব
- **টি ডি এছ প্ৰমাণপত্ৰ ঃ** প্ৰপত্ৰ নং জি এছ টি আৰ ৭(এ) যোগানকাৰীক কৰ কটাৰ অনলাইন প্ৰমাণপত্ৰ প্ৰদান কৰিব লাগিব

## জি এছ টি প্ৰেক্টিচনাৰ

### সসন্মানেৰে প্ৰেক্টিচ কৰক

**প্ৰত্যেকজন টেক্স প্ৰেক্টিচনাৰে 'জি এছ টি প্ৰেক্টিচনাৰ' হিচাবে জি এছ টিত নামভৰ্তি কৰিব লাগিব**

নামভৰ্তিকৰণে তেওঁলোকক কৰদাতাৰ হৈ তলৰ কামসমূহ কৰাৰ বাবে কৰ্তৃত্ব প্ৰদান কৰিব

- বহিৰ্মুখি আৰু অৰ্ন্তঃমুখি সৰবৰাহৰ ৰিটাৰ্ণ দাখিল
- মাহেকীয়া, তিনিমহীয়া, বাৰ্ষিক আৰু চূড়ান্ত ৰিটাৰ্ণ দাখিল
- ইলেক্ট্ৰনিক কেছ লেজাৰত কৰ জমা দিয়া
- ৰিফাণ্ডৰ বাবে আবেদন দাখিল
- পঞ্জীয়নৰ সংশোধন, বাতিল বা বাতিল নাকচৰ বাবে আবেদন দাখিল

**জি এছ টি প্ৰেক্টিচনাৰৰ নামভৰ্তিৰ প্ৰক্ৰিয়া**

- টেক্স প্ৰেক্টিচনাৰে জি এছ টি পি চি টি-১ প্ৰপত্ৰত জি এছ টি প'ৰ্টেলত (www.gst.gov.in) অনলাইন দাখিল কৰিব লাগিব
- নামভৰ্তিৰ প্ৰমাণপত্ৰ জি এছ টি পি চি টি-২ নং প্ৰপত্ৰত প্ৰদান কৰা হ'ব
- জি এছ টি পি চি টি-৫ নং প্ৰপত্ৰত কৰদাতাৰ পৰা পোৱা কৰ্তৃত্বপত্ৰ অনলাইনত উপলব্ধ হ'লেহে কৰদাতাৰ হৈ কাম কৰিব পাৰিব

Exclusive/GST-Assam/06-17

**সবিশেষ জানিবৰ বাবে আপোনাৰ নিকটতম কৰ কাৰ্য্যালয়ৰ অধীনত থকা হেল্প ডেক্সত যোগাযোগ কৰক**

**কমিছনাৰেট অফ্ টেক্সেছ, অসম চৰকাৰ**ৰ *দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত*